# “চকাযুক্ত আমাৰ দোকান”

অসম চৰকাৰে সৰ্বসাধাৰণ ৰাইজৰ সুবিধার্থে অত্যাৱশ্যকীয় সামগ্ৰীৰ উপৰিও মুকলি বজাৰৰ নিৰ্বাচিত অনান্য পেকেটযুক্ত সামগ্ৰী ছপাকৃত সৰ্বাধিক বিক্ৰী মূল্য(M.R.P) তকৈ কম মূল্যত **“চকাযুক্ত আমাৰ দোকান”** জৰিয়তে বিতৰণ কৰাৰ ব্যৱস্থা কৰিছে। শিৱসাগৰ জিলাত মুঠ ৬ খন এনে **“চকাযুক্ত আমাৰ দোকান”** খুলি স্বনিয়োজিত হ’বৰ বাবে উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। উল্লেখ্য যে চৰকাৰে নিৰ্বাচিত হিতাধীকাৰী সকলক **“চকাযুক্ত আমাৰ দোকান”** খুলিবৰ বাবে ৫০,০০০ /- টকাকৈ এককালীন অৰ্থ সহাৰ্য্য আগবঢ়াব। **“চকাযুক্ত আমাৰ দোকান”** ত তলৰ নিৰ্বাচিত সামগ্ৰী সমূহ বিক্ৰী কৰিব পাৰিব:-

১) সাধাৰণ চাউল ২)বাচমতি/প্ৰিমিয়াম চাউল ৩) চেনী ৪) গুৰ ৫) মচুৰ ডাইল(ডাঙৰ) ৬) মগু দাইল ৭) ৰহৰ দাইল ৮) বুট দাইল ৯) বুট ১০) গোটা মগু ১১) মিঠাতেল ১২) ৰিফাইন তেল ১৩) চায়া তেল ১৪) বনস্পতি ঘিউ ১৫) আয়ডিন যুক্ত নিমখৰ পেকেট(টাটা/নিৰমা/কেপ্টেইন কুক আদি) ১৬) ৰাজহুৱা বিতৰণৰ নিমখ ১৭) পেকেটযুক্ত আটা ১৮) পেকেটযুক্ত ময়দা ১৯) পেকেটযুক্ত চুজি ২০) বিস্কুত ২১) পেকেটযুক্ত চাহপাত ২২) পেকেটযুক্ত বাটাৰ ২৩) টুথপেষ্ট ২৪) গাধোৱা-কাপোৰধোৱা চাবোন ২৫) মা-মচলা ২৬) আলু ২৭) পিয়াজ । এই সামগ্ৰী সমূহৰ উপৰিও গ্ৰাহক সকলৰ দৈনন্দিন ব্যৱহৃত সামগ্ৰী সমূহো নুন্যতম লাভ ৰাখি বজাৰ মূল্যতকৈ কম মূল্যত বিতৰণ কৰিব পাৰিব।

চৰ্তাৱলী সমূহ-

১) আবেদন কাৰী ভাৰতীয় নাগৰিক তথা অসমত স্থায়ী ভাৱে বসবাস কৰা হ’ব লাগিব।

২) শিক্ষাগত অৰ্হতা- নুন্যতম হাইস্কুল শিক্ষান্ত বা সমপৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ন হ’ব লাগিব ।

৩) বয়স- ১৮ বছৰ বা উৰ্দ্ধৰ হ’ব লাগিব।

৪) নিয়োগ বিনিময় কেন্দ্ৰত প্ৰাৰ্থীজনৰ পঞ্জীয়ন থাকিব লাগিব।

৫) নিৰ্বাচিত হিতাধীকাৰী জনে আমাৰ দোকান চলাবৰ বাবে ব্যৱসায়িক অনুজ্ঞা পত্ৰ সংশ্লিষ্ট পক্ষৰ পৰা আহৰণ কৰিব লাগিব।

৬) নিৰ্বাচিত হিতাধীকাৰী জনে নিজৰ ই-ৰিক্সা অসম ই-ৰিক্সা নিয়ম-২০১৭ ৰ অধীনত অনুজ্ঞাপত্ৰধাৰী হ’ব লাগিব আৰু পৰিবহন কাৰ্যালয়ৰ পৰা চালকৰ অনুজ্ঞাপত্ৰ লব লাগিব।

৭) নিৰ্বাচিত হিতাধীকাৰীৰ ই-ৰিক্সাখন বীমাকৃত হ’ব লাগিব।

৮) নিৰ্বাচিত হিতাধীকাৰী জনে দৈনন্দিন খৰচ সমূহ নিজে কৰিব পৰাৰ সক্ষমতা প্ৰতিপন্ন কৰাকৈ আয়ৰ প্ৰমান পত্ৰ দাখিল কৰিব লাগিব।

৯)নিৰ্বাচিত হিতাধীকাৰী সকলৰ তালিকা অসম চৰকালৈ অনুমোদনৰ বাবে পঠোৱা হ’ব।

১০) নিৰ্বাচিত হিতাধীকাৰীজনে অৰ্থিক সহাৰ্য্য প্ৰদান কৰাৰ আগেয়ে সংশ্লিষ্ট জিলা উপায়ুক্তৰ লগত এখন বুজা-পৰা চুক্তিত স্বাক্ষৰ কৰিব লাগিব। চুক্তিত স্বাক্ষৰ কৰাৰ পাছত হিতাধীকাৰী জনে বেঙ্ক ঋণৰ বাবে আবেদন কৰিব পাৰিব আৰু জিলা কৰ্তৃপক্ষই উক্ত ঋণ পোৱাৰ ক্ষেত্ৰত সকলো ধৰণৰ সহায় আগবঢ়াব ।

১১) চৰকাৰৰ পৰা অনুমোদনৰ আৰু বেঙ্কৰ পৰা ঋণ মঞ্জুৰ হোৱাৰ পাচতহে উপায়ুক্তই অৰ্থিক সহাৰ্য হিতাধীকাৰীৰ অৰ্থে সংশ্লিষ্ট বেঙ্কৰ দ্বাৰা মুকলি কৰি দিব।

১২) জিলা উপায়ুক্তই "চকাযুক্ত আমাৰ দোকান"ৰ বাবে ব্যৱসায়িক ক্ষেত্ৰ, দোকান খোলা-বন্ধ কৰাৰ সময় নিৰ্দ্ধাৰণ কৰি দিব।

১৩) নিৰ্বাচিত হিতাধীকাৰীজনে ছপা মূল্যতকৈ কম দামত পৰিবহন ব্যয়ো অৰ্ন্তভূক্ত কৰি নুন্যতম লাভ প্ৰতি কেজিত/লিটাৰত কমেও ২ টকা/৩ টকাকৈ ৰাখি বিতৰণ কৰিব পাৰিব।

১৪) হিতাধীকাৰী সকলে জিলা উপায়ুক্তৰ দ্বাৰা নিৰ্ধাৰণ কৰা সকলো নীতি-নিয়ম মানি চলিব লাগিব আৰু কোনো ধৰনৰ ক্ৰটি এই ক্ষেত্ৰত সহ্য কৰা নহব আৰু প্ৰয়োজনুসৰি আইনগত ব্যৱস্থা লোৱাৰ লগতে অৰ্থিক সাহাৰ্য ও সুত সহিতে ঘূৰাই লোৱা হ'ব।

১৫) "চকাযুক্ত আমাৰ দোকান"ৰ আগত বস্তুসমূহৰ মূল্য-মজুত তালিকা সকলোৱে দেখাকৈ আঁৰি ৰাখিব লাগিব।

১৬) "চকাযুক্ত আমাৰ দোকান"ৰ হিতাধীকাৰীয়ে জিলা প্ৰশাসনে নিৰ্ধাৰণ কৰি দিয়া মজুতকাৰী/পায়কাৰী বিক্ৰতাৰ পৰা সামগ্ৰী সমূহ ক্ৰয় কৰিব পাৰিব।

১৭) "চকাযুক্ত আমাৰ দোকান"ৰ হিতাধীকাৰীয়ে মজুত আৰু বিক্ৰী বহী সংশ্লিষ্ট পক্ষৰ পৰিদৰ্শনৰ বাবে সঠিক কৈ লিখি ৰাখিব লাগিব।

১৮) নিৰ্বাচিত হিতাধীকাৰীয়ে "চকাযুক্ত আমাৰ দোকান"ৰ নিজে চলাব লাগিব আৰু কোনো কাৰণতে আন ব্যক্তিক দোকান চলাবলৈ ভাড়াত বা লিজত দিব নোৱাৰিব।

১৯) পূৰ্বতে এনে কাম কৰাৰ অভিজ্ঞতা থকা প্ৰাথীক অগ্ৰধিকাৰ প্ৰদান কৰা হ'ব।

**কেনেকৈ আবেদন কৰিব-**

ইচ্ছুক আগ্ৰহী প্ৰাৰ্থীয়ে নিজৰ বায়'ডাটা, স্বপ্ৰত্যায়িত শিক্ষাগত অৰ্হতাৰ প্ৰমান পত্ৰ, নিয়োগ বিনিময় কেন্দ্ৰৰ পঞ্জীয়ন পত্ৰ, বাৰ্ষিক আয়ৰ প্ৰমাণ পত্ৰ, বয়সৰ প্ৰমাণ পত্ৰ, পাচপৰ্ট আকাৰৰ শেহতীয়া দুকপি ফটোৰ সৈতে নিজৰ ই-মেইল, মোবাইল নম্বৰ আদি উল্লেখ কৰি অহা ১৮ ডিচেম্বৰ, ২০১৭ ভিতৰত তলৰ ঠিকনাত পোৱাকৈ আবেদন কৰিব পাৰিব। যোগ্য প্ৰাথীয়ে বাচনি বৰ্ডৰ মৌখিক সাক্ষাতকাৰত অবতীৰ্ণ হ'ব লাগিব। সাক্ষাতকাৰৰ দিন আৰু সময়ৰ বিষয়ে উপায়ুক্ত কাৰ্যলয়ৰ জাননী ফলক, ৱেবচাইট যোগে ২০ ডিচেম্বৰ, ২০১৭ তাৰিখৰ পাছত জনোৱা হ'ব। ডাক যোগে নিদিষ্ট দিনতকৈ পাচত পোৱা আবেদন কোনো কাৰণতে গ্ৰহণ কৰা ন'হব। সবিশেষ জানিবলৈ প্ৰাৰ্থী সকলে **http://sivasagar.gov.in** ৱেবচাইট চাব পাৰিব। আবেদন প্ৰেৰণৰ ঠিকনা- **খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ, জিলা উপায়ুক্তৰ কাৰ্যালয়, শিৱসাগৰ, পিন-৭৮৫৬৪০।**

নাৰায়ন কোঁৱৰ

(নাৰায়ন কোঁৱৰ, ভাঃ প্ৰ. সে)

উপায়ুক্ত,

শিৱসাগৰ জিলা